# REGIONAL NEWS UNIT

## AKASHVANI :: GUWAHATI

0000000000

**Date :** 26-04-2024
**Time :** 18-45 Hrs

### ASSAMESE EVENING BULLETIN

::::::::::::::::::::::::::::::::

১। লোকসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ত আজি ১২ খন ৰাজ্য আৰু এটা কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৮৮ খন আসনৰ বাবে ভোটগ্ৰহণ সুকলমে সম্পন্ন। বিয়লি ৫ বজা পৰ্যন্ত ৬৫ শতাংশৰো অধিক ভোটদান।

২। অসমৰ ৫টা সমষ্টিত আজি দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণ শান্তিপূৰ্ণভাবে সম্পন্ন। এই পৰ্যন্ত ৭০ শতাংশৰো অধিক ভোটগ্ৰহণ।

৩। ৰাজ্যত তৃতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযান তীব্ৰতৰ। বিজেপিৰ নেতা তথা মুখ্যমন্ত্ৰী ডℴ হিমন্ত বিশ্ব শৰ্মাৰ বঙাইগাঁৱত আৰু কংগ্ৰেছ দলৰ নেতা গৌৰৱ গগৈৰ দুধনৈত প্ৰচাৰ।

৪। নিৰ্বাচনী প্ৰচাৰৰ উদ্দেশ্যে কংগ্ৰেছ দলৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেৰ কাইলৈ অসম ভ্ৰমণ।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত পাঞ্জাব কিংছ আৰু কলকাতা নাইট ৰাইডাৰ্ছ মুখামুখি।

০০০০

লোকসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ত আজি ১২ খন ৰাজ্য আৰু এটা কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৮৮ খন আসনৰ বাবে আজি সুকলমে ভোটগ্ৰহণ অনুষ্ঠিত হয়। আজি বিয়লি ৫ বজা পৰ্যন্ত ৰাষ্ট্ৰীয় পৰ্যায়ত সামগ্ৰিকভাৱে ৬৫ শতাংশৰো অধিক ভোটদানৰ তথ্য পোৱা গৈছে। ৰাজ্যসমূহৰ ভিতৰত ত্ৰিপুৰাত সৰ্বাধিক ৭৭ শতাংশৰো অধিক, মণিপুৰত ৭৬ শতাংশৰো অধিক আৰু পশ্চিমবংগত ৭১ দশমিক ৮-৪ শতাংশ ভোটদাতাই ভোটৰ অধিকাৰ সাব্যস্ত কৰিছে। আনহাতে, উত্তৰ প্ৰদেশত সৰ্বনিম্ন ৫২ দশমিক ৭-৪ শতাংশ ভোটদাতাই ভোটৰ অধিকাৰ সাব্যস্ত কৰে। আনহাতে, অসমত শেহতীয়া তথ্য অনুসৰি ৭০ শতাংশৰো অধিক ভোটদাতাই ভোটদান কৰিছে।

দেশৰ কেইবাগৰাকীও আগশাৰীৰ নেতা আজি নিৰ্বাচনী প্ৰতিদ্বন্দিতাত অৱতীৰ্ণ হৈছে। কেৰালাৰ ৱায়ানাডৰ পৰা সাংসদ ৰাহুল গান্ধী, তিৰুৱনন্তপুৰম লোকসভা সমষ্টিৰ পৰা প্ৰতিদ্বন্দিতা কৰা দলটোৰ জ্যেষ্ঠ নেতা শশী ঠাৰুৰকে ধৰি কেইবাগৰাকীও আগশাৰীৰ নেতাৰ ৰাজনৈতিক ভাগ্য আজি ই ভি এমত বন্দী হৈছে।

দক্ষিণ বেংগালুৰু লোকসভা সমষ্টিৰ পৰা বিজেপিৰ প্ৰাৰ্থী তেজস্বী সূৰ্য্যাৰ বিৰুদ্ধে কংগ্ৰেছৰ সৌম্য ৰেড্ডীয়ে প্ৰতিদ্বন্দিতা আগবঢ়াইছে। ইপিনে, অভিনেত্ৰী তথা বিজেপিৰ সাংসদ হেমা মালিনীয়ে মথুৰা সমষ্টিৰ পৰা আৰু অভিনেতা অৰুণ গভিলে মিৰাট সমষ্টিৰ পৰা প্ৰতিদ্বন্দিতা আগবঢ়োৱাৰ উপৰি কৰ্ণাটকৰ প্ৰাক্তন মুখ্যমন্ত্ৰী এইচ ডি কুমাৰাস্বামীয়ে জে ডি এছ দলৰ হৈ মাণ্ডিয়া লোকসভা সমষ্টিৰ পৰা প্ৰতিদ্বন্দিতা আগবঢ়াইছে। চুবুৰীয়া ৰাজ্য পশ্চিমবংগৰ ৩ টা লোকসভা সমষ্টিত আজি দ্বিতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচন অনুষ্ঠিত হৈছে। ইয়াৰে ভিতৰত বেলুৰঘাট সমষ্টিত তৃণমূল কংগ্ৰেছৰ প্ৰবীণ নেতা তথা মন্ত্ৰী বিপ্লৱ মিত্ৰই প্ৰাৰ্থিত্ব আগবঢ়োৱাৰ বিপৰীতে সমষ্টিটোত বিজেপিৰ ৰাজ্যিক সভাপতি সুকান্ত মজুমদাৰ অৱতীৰ্ণ হৈছে।

০০০

দেশৰ দ্বিতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনত ৮৮টা সংসদীয় সমষ্টিত আজি ভোটগ্ৰহণ অনুষ্ঠিত হৈছে। কেৰালাৰ ২০ খন আসন, কৰ্ণাটকৰ ১৪ খন, ৰাজস্থানৰ ১৩ খন, উত্তৰ প্ৰদেশ আৰু মহাৰাষ্ট্ৰৰ ৮ খনকৈ, মধ্যপ্ৰদেশৰ ৬ খন, অসম আৰু বিহাৰৰ ৫ খনকৈ, পশ্চিমবংগ আৰু চত্তীশগড়ৰ ৩ খনকৈ আসনৰ লগতে মণিপুৰ, ত্ৰিপুৰা আৰু জন্মু কাশ্মীৰৰ এখনকৈ লোকসভা আসনৰ বাবে আজি ভোটগ্ৰহণ অনুষ্ঠিত হৈছে। মধ্যপ্ৰদেশৰ বেটুল সংদসীয় সমষ্টিৰ ভোটগ্ৰহণ আজি অনুষ্ঠিত হোৱাৰ কথা আছিল যদিও বি এছ পি প্ৰাৰ্থীগৰাকীৰ মৃত্যু ঘটাৰ পৰিপ্ৰেক্ষিতত সমষ্টিটোৰ ভোটগ্ৰহণ তৃতীয় পৰ্যায়ত অনুষ্ঠিত হ'ব। সৰহসংখ্যক ভোটগ্ৰহণ কেন্দ্ৰতে সন্ধিয়া ৬ বজা পৰ্যন্ত ভোটগ্ৰহণ অনুষ্ঠিত হোৱাৰ বিপৰীতে উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্য তথা বাওঁপন্থী সন্ত্ৰাসবাদ প্ৰভাৱিত অঞ্চলসমূহত আজি সুকলমে ভোটগ্ৰহণ অনুষ্ঠিত হৈছে।

দেশৰ  বিভিন্ন প্ৰান্তৰ পৰা আমাৰ সংবাদদাতাই জনোৱা অনুসৰি ভোটগ্ৰহণ কেন্দ্ৰসমূহত পুৱাৰ পৰা ভোটদাতাৰ দীঘলীয়া শাৰী পৰিলক্ষিত হৈছে। মহিলা তথা যুৱ ভোটদাতাসকলৰ মাজত বিশেষ উৎসাহ দেখা গৈছে।

দেশৰ কেবাগৰাকীও আগশাৰীৰ নেতাৰ ৰাজনৈতিক ভাগ্য আজি ই ভি এমত বন্দী হৈছে। কেৰালাৰ ৱায়ানাডৰ পৰা কংগ্ৰেছৰ সাংসদ ৰাহুল গান্ধী, থিৰুৱানন্তপুৰমৰ পৰা শশী ঠাৰুৰে প্ৰতিদ্বন্দ্বিতা কৰিছে। বাংগালোৰ ছাউথৰ পৰা বিজেপিৰ তেজস্বী সুৰ্য, মথুৰাৰ পৰা হেমা মালিনী আৰু মিৰাটৰ পৰা অৰুন গোভিল প্ৰতিদ্বন্দ্বিতা কৰিছে। কৰ্ণাটকৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা জে ডি এছৰ নেতা এইচ ডি কুমাৰাস্বামীয়েও নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিছে। ইপিনে পশ্চিমবংগৰ বেলুৰঘাট সমষ্টিৰ পৰা তৃণমূল কংগ্ৰেছৰ প্ৰবীন নেতা তথা মন্ত্ৰী বিপ্লব মিত্ৰই প্ৰতিদ্বন্দ্বিতা কৰিছে। একেটা সমষ্টিৰ পৰাই বিজেপিৰ ৰাজ্যিক সভাপতি সুকান্ত মজুমদাৰে প্ৰতিদ্বন্দ্বিতা কৰিছে।

০০০

ৰাজ্যৰ ৫ টা সমষ্টিত আজি শান্তিপূৰ্ণভাৱে দ্বিতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ ভোটগ্ৰহণ সম্পন্ন হয়। অৱশ্যে ৫ বজাৰ আগেয়ে ভোটকেন্দ্ৰসমূহত উপস্থিত হোৱা ভোটদাতাসকলক ভোটদানৰ সুবিধা প্ৰদান কৰি থকা হৈছে। বিয়লি ৫ বজা পৰ্যন্ত ৰাজ্যখনত ৭০ শতাংশৰো অধিক ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিছে। আজি প্ৰতিটো সমষ্টিৰ অন্তৰ্গত ভোটকেন্দ্ৰসমূহত পুৱা ৭ বজাৰে পৰা ভোটদাতাৰ দিঘলীয়া শাৰী পৰিলক্ষিত হয়। দৰং-ওদালগুৰি, ডিফু, কৰিমগঞ্জ, শিলচৰ আৰু নগাওঁ সমষ্টিত নিয়াৰিকৈ ভোটগ্ৰহণ সম্পন্ন হৈছে বুলি আমাৰ সংবাদাতাসকলে জানিবলৈ দিছে। দৰং-ওদালগুৰি সমষ্টিত প্ৰায় ৭৩ শতাংশ, ডিফুত প্ৰায় ৬৯ শতাংশ, কৰিমগঞ্জত ৭১ শতাংশৰো অধিক, নগাওঁত ৭১ দশমিক ৮-৪ শতাংশ আৰু শিলচৰত ৬৫ শতাংশৰো অধিক ভোটদাতাই ভোটৰ অধিকাৰ সাব্যস্ত কৰিছে। দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনত ৰাজ্যখনত ২ গৰাকী মহিলা প্ৰাৰ্থীসহ মুঠ ৬১ গৰাকী প্ৰাৰ্থীয়ে

প্ৰতিদ্বন্দিতা আগবঢ়াইছে। ইয়াৰ ভিতৰত কৰিমগঞ্জত সৰ্বাধিক ২৪ গৰাকী, নগাঁৰত ১৩, দৰং-ওদালগুৰিত ১১, শিলচৰত ৮ আৰু ডিফুত ৫ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দিতা কৰিছে।

দৰং-ওদালগুৰি সমষ্টিত এন ডি এৰ প্ৰাৰ্থী তথা সাংসদ দিলীপ শইকীয়া, কংগ্ৰেছৰ মাধৱ ৰাজবংশী আৰু বিপিএফৰ দুৰ্গাদাস বড়োয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। ইপিনে, শিলচৰত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী মন্ত্ৰী পৰিমল শুক্লবৈদ্য, তৃণমূল কংগ্ৰেছৰ ৰাধেশ্যাম বিশ্বাস আৰু কংগ্ৰেছ দলৰ সূৰ্য্যকান্ত সৰকাৰে প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছে। কৰিমগঞ্জত বিজেপি মিত্ৰজোঁটৰ কৃপানাথ মাল্লা, কংগ্ৰেছৰ হাফিজ ৰছিদ চৌধুৰী আৰু এ আই ইউ ডি এফৰ চাহাবুল ইছলাম চৌধুৰীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। নগাঁও সমষ্টিত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী সুৰেশ বৰাৰ বিপৰীতে কংগ্ৰেছ দলৰ প্ৰদ্যুৎ বৰদলৈ আৰু এ আই ইউ ডি এফৰ আমিনুল ইছলামে প্ৰতিদ্বন্দ্বিতা কৰিছে। অনুসূচিত জনজাতিৰ বাবে সংৰক্ষিত ডিফু সমষ্টিত বিজেপি মিত্ৰজোঁটৰ হৈ অমৰ সিং টিছ্', কংগ্ৰেছৰ জয়ৰাম ইংলেং আৰু গণ সুৰক্ষা পাৰ্টীৰ জন বাৰ্নাড চাংমাই প্ৰতিদ্বন্দ্বিতা কৰিছে।

শিলচৰ সংসদীয় সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী পৰিমল শুক্লবৈদ্যই আজি পুৱাৰ ভাগতে সমষ্টিটোৰ ঢলাইত ভোটৰ অধিকাৰ সাব্যস্ত কৰে। বৰাক উপত্যকাত ভোটগ্ৰহণ প্ৰক্ৰিয়া সন্দৰ্ভত আমাৰ হাইলাকান্দিৰ সংবাদদাতা নিলোৎপল দেৱে এইদৰে কয়।

**ভইছ**

নগাওঁ লোকসভা সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী প্ৰদ্যুত বৰদলৈয়ে মৰিকলং উচ্চ মাধ্যমিক বিদ্যালয় আৰু বিজেপিৰ প্ৰাৰ্থী সুৰেশ বৰাই উৰিয়াগাওঁ বালিকা মজলীয়া বিদ্যালয়ৰ ভোটগ্ৰহণ কেন্দ্ৰত ভোটদান কৰে। কৰিমগঞ্জ লোকসভা সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী কৃপানাথ মাল্লা আৰু কংগ্ৰেছ দলৰ প্ৰাৰ্থী হাফিজ ৰছিদ চৌধুৰীয়ে দুপৰীয়াৰ ভাগত ভোটদান কৰে।

কৰিমগঞ্জ সমষ্টিৰ অন্তৰ্গত কৰিমগঞ্জ নিৰ্বাচনী জিলাৰ ভোটকেন্দ্ৰসমূহত প্ৰায় ৭৩ শতাংশ ভোটদাতাই ভোটৰ অধিকাৰ সাব্যস্ত কৰে। নগাওঁ নিৰ্বাচনী জিলাৰ অন্তৰ্গত কেন্দ্ৰসমূহত ৭১ শতাংশৰো অধিক ভোটদাতাই আৰু দৰং-ওদালগুৰি সমষ্টিৰ অন্তৰ্গত কামৰূপ জিলাৰ ২টা বিধানসভা সমষ্টিত সামগ্ৰিকভাৱে ৭৮ শতাংশৰো অধিক ভোটদান কৰে।

নগাওঁ সমষ্টিত আজি ভোটগ্ৰহণ সন্দৰ্ভত এয়া আমাৰ সংবাদদাতা মুনীন্দ্ৰ শইকীয়া।

**ভইছ**

০০০

উচ্চতম ন্যায়ালয়ে ভিভি পেট শ্লিপৰ সৈতে ই ভি এমৰ জৰিয়তে হোৱা ভোটদানৰ ১০০ শতাংশ ভোটৰ সত্যাসত্য নিৰূপণৰ বাবে অনুৰোধ জনাই দাখিল কৰা কেইবাখনো আবেদন আজি অগ্ৰাহ্য কৰে। উল্লেখযোগ্য যে ন্যায়াধীশ সঞ্জীৱ খান্না আৰু ন্যায়াধীশ দীপাংকৰ দত্তাক লৈ গঠিত এখন বিচাৰপীঠে যোৱা ১৮ এপ্ৰিলত দুদিনজোৰা ব্যাপক শুনানিৰ অন্তত গণতান্ত্ৰিক সংস্কাৰ সংস্থাকে ধৰি বিভিন্ন পক্ষই দাখিল কৰা কেইবাখনো আবেদন সন্দৰ্ভত ৰায় সুৰক্ষিত ৰাখিছিল। ১৮ এপ্ৰিলত বিষয়টোৰ শুনানি সম্পন্ন হোৱাৰ পাছত ২৪ এপ্ৰিললৈ ৰায়দান সুৰক্ষিত ৰখা হৈছিল। যোৱা ২৪ এপ্ৰিলত আদালতে ৰায়দান স্থগিত ৰাখে আৰু কেতবোৰ গুৰুত্বপূৰ্ণ বিষয় সন্দৰ্ভত নিৰ্বাচন আয়োগৰ পৰা অধিক স্পষ্টীকৰণ বিচাৰে। শুনানিৰ সময়ত বিচাৰপীঠখনে ই ভি এম আৰু ভি ভি পেটৰ কাম-কাজ

আৰু ইয়াৰ সুৰক্ষা ব্যৱস্থাক লৈ নিৰ্বাচন আয়োগক কেইবাটাও প্ৰশ্ন সোধে। ন্যায়াধীশ খান্নাই নিয়ন্ত্ৰণ গোট অথবা ভি ভি পেটত মাইক্ৰ' কণ্ট্ৰোলাৰ স্থাপন কৰা আছে নে নাই সেই কথা স্পষ্ট কৰিবলৈ নিৰ্বাচন আয়োগক নিৰ্দেশ দিয়ে। ন্যায়াধীশ খান্না আৰু ন্যায়াধীশ দত্তাই আজি বিষয়টো সন্দৰ্ভত সুকীয়াকৈ ৰায়দান কৰে।

০০০

ৰাজ্যত লোকসভা নিৰ্বাচনৰ তৃতীয় পৰ্যায়ৰ প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে। বিজেপিৰ নেতা তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি পশ্চিম গোৱালপাৰাত গুৱাহাটী সমষ্টিৰ দলীয় প্ৰাৰ্থী বিজুলী কলিতা মেধীৰ হৈ নিৰ্বাচনী প্ৰচাৰ অভিযানত অংশগ্ৰহণ কৰে। ড০ শৰ্মাই দ্বৈত ইঞ্জিনৰ চৰকাৰৰ বিভিন্ন কল্যাণমূলক আঁচনি সন্দৰ্ভত স্থানীয় জনসাধাৰণৰ সৈতে কথা পাতে। তেওঁ কয় যে, চৰকাৰে জিলাখনত বান আৰু খহনীয়াৰ সমস্যা প্ৰতিহত কৰাৰ উদ্দেশ্যে বহুমুখী কৌশল গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে চলিত বৰ্ষত ৰাজ্য চৰকাৰে পুনৰ ৫০ হাজাৰ নিবনুৱাক সংস্থাপন দিব বুলি প্ৰতিশ্ৰুতি দিয়ে।

মুখ্যমন্ত্ৰীগৰাকীয়ে বৰপেটা লোকসভা সমষ্টিত নিৰ্বাচনী প্ৰচাৰ অভিযানত অংশগ্ৰহণ কৰে। ড০ শৰ্মাই বৰপেটা সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী ফণীভূষণ চৌধুৰীৰ হৈ অভয়াপুৰীত আয়োজিত নিৰ্বাচনী সভাত প্ৰচাৰ চলায়। অভয়াপুৰীৰ গান্ধী ময়দানত আয়োজিত সভাখনত ড০ শৰ্মাই ভাষণ প্ৰসংগত কয় যে, নৰেন্দ্ৰ মোদীৰ চৰকাৰৰ নেতৃত্বত বড়োলেণ্ড আৰু ডিমাহাচাওকে ধৰি বিভিন্ন স্থান শান্তি স্থাপন হোৱাৰ লগতে আলফাৰ সৈতে হোৱা চুক্তিৰ জৰিয়তে ৰাজ্যলৈ শান্তি ঘূৰি আহিছে। মুখ্যমন্ত্ৰীগৰাকীয় বিজেপি চৰকাৰৰ অধীনত জনসাধাৰণে লাভ কৰা বিভিন্ন সুবিধাসমূহ উনুকীয়াই দি জনসাধাৰণক দলটোক ভোট দিবলৈ আহ্বান জনায়। মুখ্যমন্ত্ৰীগৰাকীয়ে গুৱাহাটী লোকসভা সমষ্টিত আয়োজিত বিজয় সংকল্প যাত্ৰাতো অংশগ্ৰহণ কৰে।

কংগ্ৰেছৰ নেতা গৌৰৱ গগৈ আৰু অসম জাতীয় পৰিষদৰ সভাপতি লুৰীনজ্যোতি গগৈয়ে আজি দুধনৈত গুৱাহাটী লোকসভা সমষ্টিৰ কংগ্ৰেছ নেতৃত্বাধীন বিৰোধী ঐক্যমঞ্চৰ মনোনীত প্ৰাৰ্থী মীৰা বৰঠাকুৰ গোস্বামীৰ সমৰ্থনত প্ৰচাৰ চলায়।

০০০

নিখিল ভাৰত কংগ্ৰেছ সমিতিৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গে কাইলৈ বৰপেটা সমষ্টিৰ দলীয় প্ৰাৰ্থী দ্বীপ বায়নৰ সমৰ্থনত এখন প্ৰচাৰ সভাত অংশ লোৱাৰ বাবে অসমলৈ আহিব। বৰপেটা লোকসভা সমষ্টিৰ অন্তৰ্গত ভৱানীপুৰ সৰভোগৰ ফুলগুৰিত আয়োজিত এই নিৰ্বাচনী সভাত দলৰ ৰাষ্ট্ৰীয় সভাপতিগৰাকীয়ে অংশগ্ৰহণ কৰাৰ পূৰ্বে আজি প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰাই এখন সংবাদ মেল সম্বোধন কৰে। শ্ৰীবৰাই অৰুণাচলত শৰণাৰ্থী হিচাপে থকা চাকমা হাজংসকলক অসমত সংস্থাপন কৰিবলৈ বিচৰা হৈছে বুলি প্ৰকাশিত বাতৰি সন্দৰ্ভত উদ্বেগ প্ৰকাশ কৰে। এই সন্দৰ্ভত তেওঁ ৰাজ্যখনৰ মুখ্যমন্ত্ৰীক স্থিতি স্পষ্ট কৰিবলৈ আহ্বান জনায়। উল্লেখযোগ্য যে কাইলৈৰ এই সভাত সমিতিৰ সভাপতি ভূপেন কুমাৰ বৰা, তথা দলীয় নেতা দেৱব্ৰত শইকীয়া, গৌৰৱ গগৈকে ধৰি কেবাগৰাকীও জ্যেষ্ঠ নেতা উপস্থিত থাকিব।

০০০

আসন্ন তৃতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনত কোকৰাঝাৰ লোকসভা সমষ্টিত আদিবাসীসকলৰ সমৰ্থন লাভ কৰাৰ উদ্দেশ্যে আজি জনগোষ্ঠীটোৰ আগশাৰীৰ লোকসকলৰ সৈতে মন্ত্ৰী অশোক সিংহাল, বিটিআৰৰ মুৰব্বী প্ৰমোদ বড়োৰ এখন বিশেষ বৈঠক অনুষ্ঠিত হয়। চিৰাং জিলাৰ সদৰ কাজল গাঁৱত আদিবাসী জনগোষ্ঠীৰ বুদ্ধিজীৱী

আৰু গাঁওবুঢ়াসকলৰ সৈতে দুয়োগৰাকী নেতা এই বৈঠকত মিলিত হয়। বৈঠকত আদিবাসীসকলৰ বিভিন্ন সমস্যা সন্দৰ্ভত আলোচনা কৰা হয়। নেতা দুয়োগৰাকীয়ে অঞ্চলটোৰ শান্তি-সম্প্ৰীতি ৰক্ষা কৰাৰ লগতে উন্নয়ন সুনিশ্চিত কৰাৰ স্বাৰ্থ্যত এন ডি এ মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ বিজয় নিশ্চিত কৰিবলৈ জনসাধাৰণলৈ আহ্বান জনায়।

০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে লোকসভা নিৰ্বাচনৰ ভোটগ্ৰহণৰ পৰিপ্ৰেক্ষিতত আজি সন্ধিয়া ৭ বাজি ২০ মিনিটত বিশেষ অনুষ্ঠান প্ৰচাৰ কৰিব। অনুষ্ঠানটি আমাৰ ইউটিউব চেনেল Air News Guwahati আৰু News on AIR এপতো শুনিবলৈ পোৱা যাব। আনহাতে, ৭ মে'ৰ দিনৰ ১ বাজি ২০ মিনিট আৰু সন্ধিয়া ৭ বাজি ২০ মিনিটতো অনুৰূপ অনুষ্ঠান প্ৰচাৰ কৰা হব। ইপিনে, নিৰ্বাচনী প্ৰচাৰৰ পৰিপ্ৰেক্ষিতত আজি, ৭, ১৩, ২০ আৰু ২৫ মে' তথা ১ জুনৰ নিশা ৯ বাজি ২৫ মিনিটৰ আঞ্চলিক বাতৰি নিশা ৯ বাজি ১০ মিনিটত প্ৰচাৰ কৰা হ'ব।

০০০

লামডিং মণ্ডলৰ অধীনস্থ জাতিংগা-লামপুৰ আৰু নিউ হাৰাংগাজাও ৰে'ল ষ্টেচনৰ মাজত এখন মালবাহী ৰে'লগাড়ীৰ ইঞ্জিন ৰে'ল পথৰ পৰা বাগৰি পৰাৰ পৰিপ্ৰেক্ষিতত উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ কেইখনমান ৰে'লগাড়ীৰ চলাচলৰ ক্ষেত্ৰত সূচীৰ সাল-সলনি ঘটোৱা হৈছে। ইয়াৰে কেইখনমান ৰে'লগাড়ীৰ যাত্ৰা বাতিল আৰু আন কেইখনমানৰ আংশিকভাৱে বাতিল কৰাৰো সিদ্ধান্ত লোৱা বুলি এখন বিভাগীয় প্ৰেছ বিজ্ঞপ্তিত প্ৰকাশ কৰা হৈছে। সেই অনুসৰি আগৰতলা-গুৱাহাটী বিশেষ ৰে'লগাড়ীৰ কালিৰ যাত্ৰাৰ লগতে গুৱাহাটী-শিলচৰ এক্সপ্ৰেছ আৰু গুৱাহাটী-আগৰতলা বিশেষ ৰে'লগাড়ীখনৰ আজিৰ যাত্ৰা, শিয়ালদহ-আগৰতলা কাঞ্চনজংঘা এক্সপ্ৰেছৰ কাইলৈৰ, এল টি টি আগৰতলা এক্সপ্ৰেছৰ ২৮ এপ্ৰিলৰ আৰু ফিৰোজপুৰ-আগৰতলা এক্সপ্ৰেছ ৰে'লগাড়ীখনৰ অহা ২৯ এপ্ৰিলৰ নিৰ্ধাৰিত যাত্ৰা বাতিল কৰা হৈছে।

আনহাতে, হমছফৰ এক্সপ্ৰেছ, ৰঙিয়া-শিলচৰ এক্সপ্ৰেছ, শিলচৰ-গুৱাহাটী এক্সপ্ৰেছ, দুল্লবচেৰা-গুৱাহাটী এক্সপ্ৰেছ, আগৰতলা-ফিৰোজপুৰ এক্সপ্ৰেছ, আগৰতলা-শিয়ালদহ কাঞ্চনজংঘা এক্সপ্ৰেছ, আগৰতলা এল টি টি এক্সপ্ৰেছ ৰে'লগাড়ীকেইখনৰ যাত্ৰাপথ সীমিত কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। একেদৰে আজিৰ দিনটোৰ বাবে নিৰ্ধাৰিত তিনিখন ৰে'লগাড়ীৰ যাত্ৰাৰ সময় পুনৰ নিৰ্ধাৰণ কৰা হৈছে। সেই অনুসৰি শিলচৰ-ত্ৰিবান্দম এক্সপ্ৰেছ ৰে'লগাড়ীখনে পুৱা ৬ বজাত যাত্ৰা আৰম্ভ কৰাৰ বিপৰীতে আগৰতলা-ছেকেন্দৰাবাদ বিশেষ ৰে'লগাড়ীখনৰ যাত্ৰা বিয়লি তিনি বজাত আৰু শিলচৰ-গুৱাহাটী এক্সপ্ৰেছ ৰে'লগাড়ীখনৰ যাত্ৰা পুৱা ১০ বজাত আৰম্ভ হ'ব বুলি বিজ্ঞপ্তিখনত প্ৰকাশ পাইছে।

০০০

যোৰহাটৰ বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানত সাঁচিগছৰ খেতি কৃত্ৰিম ভেকুৰ সংস্থাপনৰ কৌশল সন্দৰ্ভত আয়োজিত এখন প্ৰশিক্ষণ কৰ্মশালাৰ আজি সফল সামৰণি পৰে। তিনি দিনীয়া কাৰ্যসূচীৰে আয়োজিত এই কৰ্মশালাত ১৩ গৰাকী প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। কৰ্মশালাত সাঁচিগছৰ গুৰুত্ব, পুলি বাগান প্ৰস্তুতকৰণ, সাঁচি গছৰ বাৰী গঢ়ি তোলাকে ধৰি বিভিন্ন দিশ সামৰি লোৱা হয়। তদুপৰি কৃত্ৰিম ভাবে সাঁচি গছত ভেঁকুৰ সংস্থাপন কৰি তেল প্ৰস্তু কৰা, সাঁচি গছৰ লগত জড়িত আইন সংক্ৰান্তীয় বিষয়সমূহৰ লগতে সাঁচি গছৰ পৰা উৎপাদিত সামগ্ৰীৰ ৰপ্তানি বৃদ্ধি

কৰাকে ধৰি কেইবাটাও বিষয় সামৰি প্ৰশিক্ষাৰ্থীসকলক প্ৰশিক্ষণ দিয়া হয়। অনুষ্ঠানত কেবাগৰাকীও জ্যেষ্ঠ বিজ্ঞানীয়েও অংশ গ্ৰহণ কৰে।

০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি কলকাতাৰ ইডেন গাৰ্ডেনছত হ'বলগীয়া এখন খেলত পাঞ্জাব কিংছ্ কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০

ঃঃ সমাপ্ত ঃঃ